# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-05-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে আজি দিনৰ ১১ বজাত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব।

২। সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে অপাৰেচন সিন্দূৰ সন্দৰ্ভত সশস্ত্ৰ বাহিনীসমূহলৈ সমৰ্থন প্ৰকাশ কৰিছে।

৩। অপাৰেচন সিন্দূৰৰ গুৰুত্বৰ বিষয়ে বিশ্বক অৱগত কৰাৰ উদ্দেশ্যে জে ডি ইউৰ সাংসদ সঞ্জয় ঝাৰ নেতৃত্বৰ বহুদলীয় সংসদীয় প্ৰতিনিধি দলটো কালি বিয়লি ছিউলত উপস্থিত হয়।

৪। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই প্ৰতিবছৰে উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ এখনত খেলো ইণ্ডিয়া উত্তৰ-পূৰ ক্ৰীড়া মহোৎসৱৰ আয়োজন কৰা হ'ব বুলি ঘোষণা কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা ডেলহি কেপিটেলছে পাঞ্জাব কিংছক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে আজি দিনৰ ১১ বজাত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে কালি নতুন দিল্লীত অনুষ্ঠিত নীতি আয়োগৰ পৰিচালনা পৰিষদৰ বৈঠকত অপাৰেচন সিন্দূৰ সন্দৰ্ভত সশস্ত্ৰ বাহিনীসমূহলৈ সমৰ্থন প্ৰকাশ কৰে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত নীতি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া বি ভি আৰ সুব্ৰমণ্যমে কয়, যে পেহেলগামৰ ঘটনাক লৈ জনসাধাৰণৰ মাজত ক্ষোভৰ সৃষ্টি হৈছিল আৰু প্ৰতিগৰাকী ব্যক্তিয়ে প্ৰতিৰক্ষা বাহিনীসমূহৰ ভূমিকা তথা সাহস আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ ভূয়সী প্ৰশংসা কৰিছে। তেওঁ কয়, যে বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে বিকশিত

ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে টীম ইণ্ডিয়াৰ শক্তিৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। অপাৰেচন সিন্দূৰৰ সময়ত এই শক্তি দেখিবলৈ পোৱাৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে বৈঠকত মন্তব্য কৰা বুলি তেওঁ জানিবলৈ দিয়ে। বৈঠকত শ্ৰীমোদীয়ে কয়, যে ভাৰত আত্মনিৰ্ভৰশীল হৈ উঠিলে বিকশিত ৰাষ্ট্ৰ ৰূপেও পৰিগণিত হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে প্ৰৱৰ্তন কৰা কাৰ্যসূচীসমূহ ৰূপায়ণ কৰিবলৈ ৰাজ্যসমূহৰ প্ৰতি আহ্বান জনায়। পৰিষদৰ বৈঠকত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে ৰাজ্যসমূহক গোলকীয় মানৰ সৈতে তাল মিলাই সকলো সুবিধা আৰু আন্তঃগাঁথনিৰে সমৃদ্ধ কমেও এখন পৰ্যটন থলী বিকশাই তুলিবলৈও আহ্বান জনায়। নীতি আয়োগৰ পৰিচালনা পৰিষদৰ বৈঠকত ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰৰ ৩৩ খনে ভাগ লয়।

ooooo

অপাৰেচন সিন্দূৰৰ গুৰুত্বৰ বিষয়ে বিশ্বক অৱগত কৰোৱাৰ উদ্দেশ্যে জে ডি ইউৰ সাংসদ সঞ্জয় ঝাৰ নেতৃত্বৰ বহুদলীয় সংসদীয় প্ৰতিনিধি দলটো কালি বিয়লি জাপান ভ্ৰমণ সামৰি তিনিদিনীয়া ভ্ৰমণসূচীৰে দক্ষিণ কোৰিয়াৰ ছিউলত উপস্থিত হয়। এই ভ্ৰমণসূচীয়ে সকলো ধৰণৰ সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ শূন্য সহনশীলতাৰ স্থিতি আগুৱাই নিয়াৰ প্ৰচেষ্টা সুদৃঢ় কৰিব। ভ্ৰমণ কালত প্ৰতিনিধি দলটোৱে দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়া, দেশখনৰ সাংসদ নেচনেল এচেম্বলিৰ বিশিষ্ট ব্যক্তি, আগশাৰীৰ চিন্তাবিদ আৰু সংবাদ জগতৰ জ্যেষ্ঠ প্ৰতিনিধিসকলৰ সৈতে আলোচনাত মিলিত হ'ব।

ইপিনে, ডি এম কেৰ সাংসদ কানিমোঝিৰ নেতৃত্বত ৰাছিয়ালৈ যোৱা বহুদলীয় প্ৰতিনিধি দলটোৱে কালি সকলো ধৰণৰ সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ শূন্য সহনশীলতাৰ নীতিৰ বিষয়ে নিজৰ স্থিতি স্পষ্ট কৰে। মস্কোত থকা ভাৰতীয় দূতাবাসত এখন যুটীয়া সংবাদমেলত  সাংসদ কানিমোঝিয়ে কয়, যে পাকিস্তানৰ পৰা ভাৰতত অনুপ্ৰৱেশ কৰা সন্ত্ৰাসবাদীয়ে পেহেলগামৰ আক্ৰমণ সংঘটিত কৰিছে আৰু এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা সংগঠনটোক পাকিস্তানে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ৰক্ষণা-বেক্ষণা দিছে। তেওঁ কয়, যে ভাৰতে  দায়িত্বশীলভাৱে এই আক্ৰমণৰ প্ৰত্যুত্তৰ দিছে আৰু এই প্ৰত্যাক্ৰমনত অসামৰিক লোক আৰু সামৰিক ঘাটি সমূহৰ যাতে কোনো ক্ষয়ক্ষতি নহয় সেয়া সুনিশ্চিত কৰিছে।

শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দেৰ নেতৃত্বত সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ইলৈ যোৱা আন এটা বহুদলীয় প্ৰতিনিধি দল দেশখনৰ ভ্ৰমণ সামৰি কংগোত উপস্থিত হৈছে। কংগোলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে দলটোৱে সন্ত্ৰাসবাদ বিৰোধী যুঁজত ভাৰতলৈ আগবঢ়োৱা অভূতপূৰ্ব সমৰ্থনৰ বাবে ইউ এ ইৰ নেতৃবৰ্গৰ শলাগ লয়।

বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বত আন এটা বহুদলীয় প্ৰতিনিধিৰ দল বাহৰেইনত উপস্থিত হৈছে। সাংসদ পাণ্ডা আৰু অন্যান্যসকলক বিমান বন্দৰত বাহৰেইনত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনোদ কে জেকবে আদৰণি জনায়। এই প্ৰতিনিধি দলটোত আছে প্ৰাক্তন বিদেশ সচিব হৰ্ষবৰ্ধন শ্ৰিংলা, এ আই এম আই এমৰ সাংসদ আছাদুদ্দিন অ'ৱেইছি, ৰাজ্যসভাৰ সাংসদ ৰেখা শৰ্মা, জম্মু-কাশ্মীৰৰ প্ৰাক্তন মন্ত্ৰী গুলাম নবী আজাদ, ৰাজ্যসভাৰ সাংসদ সৎনাম সিং সান্ধু, বিজেপিৰ সাংসদ ফাংগন কন্যাক আৰু বিজেপিৰ সাংসদ নিশিকান্ত ডুবে। ভ্ৰমণ কালত প্ৰতিনিধি দলটোৱে সীমান্তৰে চলা সন্ত্ৰাসবাদ সন্দৰ্ভত ভাৰতৰ স্থিতিৰ বিষয়ে আলোকপাত কৰিব। এই প্ৰতিনিধি দলটোৱে ছৌদি আৰব, কুৱেইট আৰু আলজেৰিয়াও ভ্ৰমণ কৰিব।

ইফালে, বিজেপিৰ সাংসদ ৰবি শংকৰ প্ৰসাদৰ নেতৃত্বত গঠন কৰা সপ্তমটো বহুদলীয় প্ৰতিনিধি দল আজি ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইউৰোপীয় সংঘ, ইটালী আৰু ডেনমাৰ্ক ভ্ৰমণসূচীৰে স্বদেশৰ পৰা ৰাওনা হ'ব।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই প্ৰতিবছৰে উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ এখনত খেলো ইণ্ডিয়া উত্তৰ-পূৰ ক্ৰীড়া মহোৎসৱৰ আয়োজন কৰা হ'ব বুলি ঘোষণা কৰিছে। নতুন দিল্লীত আয়োজিত ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলন ২০২৫ৰ সামৰণি অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কালি এই বিষয়ে সদৰি কৰে। তেওঁ কয়, যে বিভিন্ন উদ্যমৰ জৰিয়তে অঞ্চলটোত ক্ৰীড়াতন্ত্ৰ শক্তিশালী কৰি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। ২০৩০ চনত কমনৱেল্থ গেমছ আৰু ২০৩৬ চনত গ্ৰীষ্মকালীন অলিম্পিক আয়োজনৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে বছৰৰ যিকোনো সময়ত আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ আয়োজনৰ দিশৰ পৰা ভাৰত উত্তম স্থান।

ইপিনে, উত্তৰ-পূৰ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলনে ৪ লাখ ৩০ হাজাৰ কোটি টকাৰ বিনিয়োগ আকৰ্ষণ কৰা বুলি প্ৰকাশ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলক শক্তিশালী কৰি দেশৰ প্ৰগতিৰ চালিকা শক্তিৰূপে গঢ়ি তোলাৰ দিশৰ পৰা ইয়াক সচা অৰ্থত পাতনি বুলি অভিহিত কৰিব পৰা যায় বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

ভাৰতে ব্ৰাজিলত কাইলৈৰ পৰা হ'বলগীয়া ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ সাংস্কৃতিক মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব। উচ্চ পৰ্যায়ৰ এই বৈঠকত কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱটে ভাৰতীয় প্ৰতিনিধিসকলৰ নেতৃত্ব দিব। এই বৈঠকে সাংস্কৃতিক বুজাবুজি আৰু সহযোগিতাৰ প্ৰসাৰৰ উদ্দেশ্যে ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা আদি ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ সাংস্কৃতিক মন্ত্ৰীসকলক এখন মঞ্চ প্ৰদান কৰিব। এইবাৰৰ এই বৈঠকত যুটীয়া সাংস্কৃতিক প্ৰকল্প, প্ৰতিষ্ঠানগত অংশীদাৰিত্ব আৰু ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ বৈচিত্ৰপূৰ্ণ ঐতিহ্য সংৰক্ষণৰ জৰিয়তে সম্পৰ্ক শক্তিশালী কৰাৰ বিষয়ত আলোকপাত কৰা হ'ব।

বৈঠকৰ সময়ত মন্ত্ৰীসকলে সাংস্কৃতিক কুটনীতি, ঐতিহ্য সংৰক্ষণ আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক বিষয়ক ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা সন্দৰ্ভত আলোকপাত কৰিব।

০০০০০

ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা- NDA শাসনাস্থিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীসকলে আজি সু-শাসনৰ বিভিন্ন দিশ সন্দৰ্ভত ৰাষ্ট্ৰীয় ৰাজধানীত আয়োজিত ব্যাপক আলোচনাত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আলোচনাত অধ্যক্ষতা কৰিব। আলোচনাত বিজেপিৰ সভাপতি জে পি নড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও অংশগ্ৰহণ কৰিব।

০০০০০

উত্তৰাখণ্ডৰ চামোলী জিলাত থকা হেমকুণ্ড চাহিবৰ দুৱাৰ আজি মুকলি কৰি দিয়া হ'ব। ভক্তসকলৰ বাবে যাত্ৰা সুগম আৰু সুৰক্ষিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰয়োজনীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। প্ৰশাসন আৰু গুৰুদ্বাৰ ব্যৱস্থাপনা সমিতিৰ সহযোগত যাত্ৰা শান্তিপূৰ্ণ আৰু সু-শৃংখলিতভাৱে আগুৱাই নিবলৈ প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰা হৈছে।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত যোৱানিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ডেলহি কেপিটেলছে পাঞ্জাব কিংছক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত পাঞ্জাৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অধিনায়ক শ্ৰেয়াৰ্চ আয়াৰৰ ৫৩ আৰু মাৰ্কাচ ষ্টয়নিচৰ ৪৪ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ২০৬ ৰান সংগ্ৰহ কৰে। ডেলহিৰ হৈ মুস্তাফিজুৰ ৰহমানে তিনিটা উইকেট দখল কৰে। ৱিপৰাজ নিগম আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ডেলহি কেপিটেলছে ১৯ অভাৰ আৰু তিনিটা বলত চাৰিটা উইকেট হেৰুৱাই ২০৮ ৰান সংগ্ৰহ কৰে। ডেলহিৰ হৈ সমীৰ ৰিজৱিয়ে ৫৮ ৰান কৰি আউট নোহোৱাকৈ থাকে। কৰুণ নায়াৰে ৪৪ আৰু কে এল ৰাহুলে ৩৫ ৰানৰ বৰঙণি আগবঢ়ায়। সমীৰ ৰিজৱিক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

ooooo

**সমাপ্ত**